A-18B
H-

रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 14 ] NEW DELHI, THURSDAY, JUNE 13, 2019 / 23 JAISTHA, 1941 (Saka) [ VOL: 5**
নং ১৪ ] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৩, ২০১৯ / ২৩ জেঠ, ১৯৪১ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থা অধিনিয়ম, ২০০৭ (২০০৭ ৰ ৫৪)

# ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থা অধিনিয়ম, ২০০৭

(২০০৭ ৰ সংখ্যা ৫৪)

## ধাৰাসমূহৰ ক্ৰম

### অধ্যায় - ১

### প্ৰাৰম্ভিক


| | ধাৰাসমূহ | পৃষ্ঠা |
|---|---|---|
| ১। | সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ। | ১ |
| ২। | ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থাৰ ৰাষ্ট্ৰীয় গুৰুত্ব থকা এটা সংস্থা ৰূপে ঘোষণা। | ১ |
| ৩। | পৰিভাষা। | ১ |


### অধ্যায় - ২


| | | |
|---|---|---|
| ৪। | সংস্থাৰ ভুক্তকৰণ। | ২ |
| ৫। | প্ৰশাসক বোৰ্ডৰ গঠন। | ২ |
| ৬। | বোৰ্ডৰ সদস্যৰ পদাবধি, তেওঁলোকৰ মাজৰ পদৰিক্তি আৰু দেয় ভাত্তা। | ৩ |
| ৭। | সম্পত্তিৰ ন্যস্তকৰণ। | ৩ |
| ৮। | সংস্থাৰ ভুক্তকৰণৰ প্ৰভাব। | ৪ |
| ৯। | সংস্থাৰ কৃত্যসমূহ। | ৪ |
| ১০। | বোৰ্ডৰ ক্ষমতা। | ৬ |
| ১১। | সংস্থা সকলো জাতি, ধৰ্ম আৰু শ্ৰেণীৰ বাবে মুকলি থাকিব। | ৭ |
| ১২। | সংস্থাত দিয়া শিক্ষা। | ৭ |
| ১৩। | কুলাধ্যক্ষ। | ৭ |
| ১৪। | সংস্থাৰ প্ৰাধিকাৰ। | ৮ |
| ১৫। | সাধাৰণ পৰিষদৰ স্থাপন। | ৮ |
| ১৬। | সাধাৰণ পৰিষদৰ ক্ষমতা আৰু কৃত্যসমূহ। | ৯ |
| ১৭। | চিনেট। | ৯ |
| ১৮। | চিনেটৰ কৃত্য। | ৯ |
| ১৯। | বোৰ্ডৰ সভাপতি। | ১০ |
| ২০। | সঞ্চালক। | ১০ |

পৃষ্ঠা

২১। পঞ্জীয়ক। ১০

২২। আন প্ৰাধিকাৰী আৰু পদাধিকাৰীসমূহৰ ক্ষমতা আৰু কৃত্য সমূহ। ১১

২৩। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া অনুদান। ১১

২৪। সংস্থাৰ নিধি। ১১

২৫। নিধি কোষৰ স্থাপন। ১১

২৬। হিচাপ আৰু হিচাপ পৰীক্ষা। ১১

২৭। পেনচ্‌ন আৰু ভৱিষ্য নিধি । ১২

২৮। নিযুক্তি। ১২

২৯। পৰিনিয়ম। ১২

৩০। পৰিনিয়ম কেনেকৈ প্ৰণীত হব। ১৩

৩১। অধ্যাদেশ। ১৩

৩২। অধ্যাদেশ কেনেকৈ প্ৰণীত হব। ১৪

৩৩। সংস্থাৰ প্ৰাধিকাৰীৰ ব্যৱসায়ৰ পৰিচালনা কৰা। ১৪

৩৪। মধ্যস্থৰ ন্যায়াধিকৰণ। ১৫

## অধ্যায় - ৩

## বিবিধ

৩৫। পদৰিক্তিৰ দ্বাৰা অধিনিয়ম আৰু কাৰ্য্যবাহী অবৈধ নহব। ১৫

৩৬। সংস্থাৰ দ্বাৰা ডিগ্ৰী, ইত্যাদি প্ৰদান কৰা। ১৫

৩৭। পৃষ্ঠপোষকতা কৰা আচঁনি। ১৫

৩৮। জটিলতা দূৰীকৰণৰ ক্ষমতা। ১৬

৩৯। অন্তৰ্বৰ্ত্তীকালীন উপবন্ধ। ১৬

৪০। চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত হবলগীয়া আৰু সংসদত উথাপিত হবলগীয়া পৰিনিয়ম, অধ্যাদেশ আৰু অধিসুচনা। ১৬

# ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থা

## অধিনিয়ম, ২০০৭

(২০০৭ ৰ সংখ্যা ৫৪)

[২০ ডিচেম্বৰ, ২০০৭ যথাবিদ্যমান]

ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থা ৰূপে জ্ঞাত সংস্থাক এটা ৰাষ্ট্ৰীয় গুৰুত্ব থকা সংস্থা বুলি ঘোষিত কৰিবলৈ আৰু ইয়াৰ ভুক্তকৰণ আৰু ইয়াৰ সৈতে জড়িত বিষয় সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ভাৰত গণৰাজ্য অষ্টপঞ্চাশৎ বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে ইয়াক অধিনিয়মিত কৰা হওঁক ঃ-

### অধ্যায় -১

### প্ৰাৰম্ভিক

*সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ।*

১। (১) এই অধিনিয়মখন, ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থা অধিনিয়ম, ২০০৭ বুলি অভিহিত হ'ব।

(২) এইখন কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা দৰে এনে তাৰিখত বলবৎ হ'ব আৰু এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব।

*ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থাক ৰাষ্টীয় গুৰুত্ব থকা এটা সংস্থাৰূপে ঘোষণা।*

২। যিহেতু, জেইচ জিলা- ৰায়বেৰেলি, উত্তৰ প্ৰদেশৰ ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থাৰূপে জ্ঞাত সংস্থাৰ উদেশ্য সমূহ এনে হয়, যাতে ই এখন ৰাষ্ট্ৰীয় গুৰুত্বৰ সংস্থা হয়, ইয়াক ইয়াৰ দ্বাৰা ঘোষণা কৰা হ'ল যে ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থাৰূপে জ্ঞাত সংস্থাখন এখন ৰাষ্ট্ৰীয় গুৰুত্বৰ সংস্থা।

*পৰিভাষা ঃ*

৩। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে,-

(ক) "নিয়ত দিন" মানে এই অধিনিয়মৰ বলবৎকৰণৰ বাবে ধাৰা (১) ৰ উপধাৰা (২) ৰ অধীনত নিয়ত কৰা তাৰিখ ;

(খ) "বোৰ্ড" মানে ধাৰা ৫ৰ উপধাৰা (১) ৰ অধীনত গঠিত সংস্থাৰ প্ৰশাসক বোৰ্ড ;

(গ) "অধ্যক্ষ" মানে সাধাৰণ পৰিষদৰ অধ্যক্ষ ;

(ঘ) "সঞ্চালক" মানে ধাৰা ২০ৰ অধীনত নিয়োজিত সংস্থাৰ সঞ্চালক ;

(ঙ) "নিধি" মানে ধাৰা ২৪ৰ অধীনত সংৰক্ষিত কৰা সংস্থাৰ নিধি ;

(চ) "সাধাৰণ পৰিষদ" মানে ধাৰা ১৫ৰ উপধাৰা (১) ৰ অধীনত স্থাপিত সাধাৰণ পৰিষদ ;

(ছ) "সংস্থা " মানে ধাৰা ৪ ৰ অধীনত ভুক্ত কৰা ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থা।

(জ) "সভাপতি" মানে ধাৰা ৫ ৰ উপধাৰা (১) ৰ খণ্ড (ক) ৰ অধীনত নিয়োজিত বোৰ্ডৰ সভাপতি ;

(ঝ) "পঞ্জীয়ক" মানে ধাৰা ২১ ত নিৰ্দেশিত সংস্থাৰ পঞ্জীয়ক ;

(ঞ) "চিনেট" মানে ধাৰা ১৭ ত নিৰ্দেশিত সংস্থাৰ চিনেট ;

(ট) "সমিতি" মানে সমিতি পঞ্জীয়ন, অধিনিয়ম, ১৮৬০ ৰ অধিনত পঞ্জীকৃত, ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থা সমিতি, জেইচ জিলা ৰাইবেৰেলি উত্তৰ প্ৰদেশ; আৰু

(ঠ) "পৰিনিয়ম" আৰু "অধ্যাদেশ" মানে যথাক্ৰমে এই অধিনিয়মৰ অধীনত প্ৰণীত সংস্থাৰ পৰিনিয়ম আৰু অধ্যাদেশ।

## অধ্যায় - ২

*সংস্থাৰ ভুক্তকৰণ*

৪। ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থা, এই অধিনিয়মৰ উপবন্ধ সমূহৰ সাপেক্ষে, সম্পত্তিৰ বৰ্জন, ধাৰণ আৰু নিষ্পত্তি কৰিবলৈ আৰু সংবিদা কৰিবলৈ স্বাশত উত্তৰাধিকাৰ থকা আৰু ক্ষমতাৰ এটা সধাৰণ মোহৰ থকা এটা নিগমিত নিকায় হব আৰু সেই নামেৰে বাদ কৰিব আৰু কৰাব।

*প্ৰশাসক বোৰ্ডৰ গঠন।*

৫। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত, অধিসূচনাৰ দ্বাৰা, নিয়ত কৰা দৰে এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিম্নলিখিত সদস্যৰে গঠিত প্ৰশাসক বোৰ্ডৰূপে জ্ঞাত এখন বোৰ্ড গঠন কৰা হব অৰ্থাৎ ঃ-

(ক) সভাপতি জন, পৰিনিয়মৰ দ্বাৰা উপবন্ধিত কৰা দৰে এনে ৰীতিত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত কৰা হ'ব ঃ

পৰন্তু প্ৰথম সভাপতিজনক, প্ৰথম পৰিনিয়মৰ বলবৎ হোৱা তাৰিখৰ পৰা ছয় মাহৰ অনধিক এটা কালৰ বাবে ই উচিত গণ্য কৰা দৰে, এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত কৰা হব।

(খ) সংস্থাৰ সঞ্চালক পদেন ;

(গ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা, সংপ্ৰবৰ্ত্তিত কোম্পানীৰ সঞ্চালক বোৰ্ডৰ পৰা দুজন ব্যক্তিক মনোনীত কৰা হ'ব।

স্পষ্টীকৰণ ঃ- এই খণ্ডৰ প্ৰয়োজনাৰ্থে সংপ্ৰবৰ্ত্তিত কোম্পানী মানে ধাৰা ২৫ নিৰ্দেশিত বিধিকোষলৈ বৰঙণি দিয়া সেই কোম্পানী ;

(ঘ) ভাঁৰতীয় প্ৰযুক্তি বিজ্ঞান সংস্থা কানপুৰৰ এজন অধ্যাপকক সেই সংস্থাৰ সঞ্চালকৰ দ্বাৰা মনোনীত কৰা হ'ব ;

(ঙ) শিক্ষা, গৱেষণা, অভিযান্ত্ৰিক আৰু প্ৰযুক্তি বিজ্ঞানৰ সম্বন্ধত বিশিষ্ট জ্ঞান বা প্ৰৱৰ্ত্তনীয় অভিজ্ঞতা থকাৰ সমগ্ৰ হাইড্ৰকাৰ্বন মূল্য শৃঙ্খলাৰে আবৃত পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞানৰ ক্ষেত্ৰত পাচঁজন বিশিষ্ট অভিজ্ঞ ব্যক্তিক সাধাৰণ পৰিষদৰ দ্বাৰা সংস্থাৰ সঞ্চালকৰ সৈতে পৰামৰ্শ কৰি মনোনীত কৰা হব।

(চ) সংস্থাৰ চিনেটৰ দ্বাৰা সংস্থাৰ দুজন অধ্যাপকক মনোনীত কৰা হব ;

(ছ) প্ৰাক্তন ছাত্ৰ সন্থাৰ কাৰ্য্যকৰী সমিতিৰ দ্বাৰা সন্থাৰ স্নাতকৰ এজন প্ৰতিনিধত্বক মনোনীত কৰা হ'ব।

(২) সংস্থাৰ পঞ্জীয়কে, বোৰ্ডৰ সচিব ৰূপে কাৰ্য্য কৰিব।

(৩) বোৰ্ড, সাধাৰণতে, এটা পঞ্জিকা বৰ্যত চাৰিবাৰ মিলিত হব ।

*বোৰ্ডৰ সদস্যৰ পদাৱধি, তেওঁলোকৰ মাজৰ পদৰিক্তি আৰু দেয় ভাত্তা।*

৬। (১) এই ধাৰাত অন্যথা উপবন্ধিত ব্যতিৰেকে, পদেন সদস্যৰ ভিন্ন বোৰ্ডৰ সভাপতি বা আন কোনো সদস্যৰ পদাৱধি, ইয়ালৈ তেওঁৰ নিযুক্তি বা মনোনয়নৰ তাৰিখৰ পৰা তিনি বছৰ হ'ব।

(২) এজন পদেন সদস্যই বোৰ্ডৰ এজন সদস্য হৈ নাথাকিব যেতিয়াই তেওঁ তেওঁৰ পদৰিক্তি কৰে যাৰ বলত তেওঁ বোৰ্ডৰ এজন সদস্য হয় ।

(৩) এটা আকস্মিক পদৰিক্তি পূৰণ কৰিবলৈ মনোনীত এজন সদস্যৰ পদাৱধি, সদস্যৰ পদাৱধিৰ অৱশিষ্টৰ বাবে চলি থাকিব যাৰ স্থানত তেওঁক মনোনীত কৰা হৈছিল।

(৪) এই ধাৰাত কোনো কথা থকা স্বত্বেও এজন বৰ্হিগামী সদস্যই, কেন্দ্ৰীয় চৰকাৰে অন্যথা নিৰ্দেশ নিদিয়া পৰ্য্যন্ত পদত থাকিব, যেতিয়ালৈকে আন ব্যক্তিক তেওঁৰ স্থানত এজন সদস্যৰূপে মনোনীত কৰা নহয়।

(৫) বোৰ্ডৰ সদস্য, পৰিনিয়মত উপবন্ধিত কৰা দৰে সংস্থাৰ পৰা ভাত্তাৰ বাবে হকদাৰ হব, যদি কিবা থাকে, কিন্তু ধাৰা ৫ ৰ খণ্ড (চ) ত নিৰ্দেশিত সদস্যৰ ভিন্ন কোনো সদস্যই কোনো বেতনৰ বাবে হকদাৰ হ'ব।

*সম্পত্তিৰ ন্যস্তকৰণ*

৭। নিয়ত দিনত বা নিয়ত দিনৰ পৰা আৰু এই অধিনিয়মৰ আন উপবন্ধাৱলীৰ সাপেক্ষে সেই দিনৰ অব্যবহিত পূৰ্বে সমিতিত ন্যস্ত হোৱা সকলো সম্পত্তি সেই দিনত আৰু সেই দিনৰ পৰা সংস্থাত ন্যস্ত হব।

**ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থা অধিনিয়ম, ২০০৭**

*সংস্থাৰ ভুক্তকৰণৰ প্ৰভাৱ।*

৮। নিয়ত দিনত আৰু নিয়ত দিনৰ পৰা...........

(ক) কোনো সংবিদা বা আন লেখ্যত সমিতিলৈ থকা কোনো প্ৰসঙ্গ নিৰ্দেশৰ, সংস্থাৰ এটা প্ৰসঙ্গ নিৰ্দেশৰূপে গণ্য কৰা হ'ব ; আৰু

(খ) সমিতিৰ সকলো অধিকাৰ আৰু দায়িত্ব সংস্থালৈ অন্তৰিত কৰা হব আৰু সংস্থাৰ অধিকাৰ আৰু দায়িত্ব হ'ব ;

(গ) নিয়ত দিনৰ অব্যৱহিত পূৰ্বে সমিতিৰ দ্বাৰা নিয়োজিত প্ৰত্যেক ব্যক্তি, একেই পদাবধিত একেই পাৰিশ্ৰমিকত, আৰু একেই নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত আৰু পেঞ্চন, চুটি, পাৰিতোষিক, ভবিষ্য নিধি আৰু আন বিষয়সমূহৰ বিষয়ত একে অধিকাৰ আৰু বিশেষাধিকাৰ সহ সংস্থাত পদধাৰণ বা সেৱা কৰিব যিদৰে তেওঁ একেবোৰ ধাৰণ কৰিলেহেঁতেন যদি এই অধিনিয়ম পাৰিত নহলহেঁতেন আৰু এনেদৰে কৰি থাকিব যি পৰ্য্যন্ত আৰু যেতিয়ালৈকে তেওঁৰ নিয়োজনৰ অৱসান নহয় বা যি পৰ্য্যন্ত এনে অৱধি পাৰিশ্ৰমিক আৰু নিবন্ধন আৰু চৰ্ত্তাৱলী, পৰিনিয়মৰ দ্বাৰা সম্যকভাবে পৰিবৰ্ত্তিত নহয় ঃ

পৰন্তু যদি এনেদৰে কৰা পৰিবৰ্ত্তন এনে কৰ্মচাৰীৰ গ্ৰহণযোগ্য নহয় তেন্তে স্থায়ী কৰ্মচাৰীৰ ক্ষেত্ৰত তিনি মাহৰ পাৰিশ্ৰমিক আৰু আন কৰ্মচাৰীবৃন্দৰ ক্ষেত্ৰত এমাহৰ পাৰিশ্ৰমিকৰ সমান হোৱা ক্ষতিপূৰণ সংস্থাৰ দ্বাৰা তেওঁক আদায় দিয়াত এই মৰ্মে তাত কোনো উপবন্ধ কৰা নহয়, তেন্ত তেওঁৰ নিয়োজন, কৰ্মচাৰীৰ সৈতে সংবিদা কৰা কালৰ অনুসৰণত সংস্থাৰ দ্বাৰা সমাপ্ত কৰা হ'ব।

*সংস্থাৰ কৃত্যসমূহ*

৯। সংস্থাই নিম্নলিখিত কৃত্যসমূহৰ সম্পাদন কৰিব অৰ্থাৎঃ-

(i) শিক্ষাবৰ্দ্ধন কৰা আৰু শিক্ষাৰ মানদণ্ড আৰু উৎকৃষ্টতাৰ উন্নীত কৰা আৰু পেট্ৰ'লিয়াম আৰু হাইড্ৰ'কাৰ্বন এলেকাত গৱেষণা কৰা ;

(ii) পেট্ৰ'লিয়াম আৰু হাইড্ৰ'কাৰ্বন এলেকাত অভিযান্ত্ৰিক আৰু প্ৰযুক্তি বিজ্ঞান, ব্যৱস্থাপন বিজ্ঞান আৰু কলাত স্নাতক, স্নাতকত্তোৰ আৰু ডক্টৰেট ডিগ্ৰীৰ প্ৰদানলৈ অগ্ৰসৰ হোৱা শিক্ষা আৰু গৱেষণাৰ কাৰ্য্যক্ৰম আৰু পাঠ্যক্ৰম উপবন্ধ কৰা ;

(iii) সংস্থাই অৱধাৰিত কৰা দৰে এনে চৰ্ত্তাৱলীৰ সাপেক্ষে, শিক্ষাৰ্থীৰ বিভিন্ন শৈক্ষিক স্তৰত ডিগ্ৰী, ডিপ্লোমা, প্ৰমাণপত্ৰ বা আন শৈক্ষিক উপাধি বা খিতাব মঞ্জুৰ কৰে যিয়ে, পৰীক্ষাৰ আধাৰত বা পৰীক্ষণ মূল্যায়নৰ আন কোনো আধাৰত নিৰ্ণয় কৰা দৰে দক্ষতাৰ বিহিত মানদণ্ড প্ৰাপ্ত কৰে আৰু এনে ডিগ্ৰী, ডিপ্লোমা, প্ৰমাণপত্ৰ বা আন শৈক্ষিক উপাধি বা খিতাব, সৎ আৰু পৰ্য্যাপ্ত কৰণৰ বাবে প্ৰত্যাহাৰ কৰা ;

(iv) সন্মানীয় ডিগ্ৰী বা আন উপাধি প্ৰদান কৰা আৰু বৃত্তিধাৰী সদস্য পদ বৃত্তি, ছাত্ৰবৃত্তি, পুৰস্কাৰ আৰু মেদেল সংস্থিত আৰু প্ৰদান কৰা ;

(v) পৰীক্ষা বা পৰীক্ষণ আৰু মূল্যায়নৰ আন কোনো পদ্ধতিৰ জৰিয়তে সংস্থালৈ ভৰ্ত্তিকৰণৰ মানদণ্ডৰ ব্যৱস্থা কৰা ;

(vi) দাবী নিৰ্দ্ধাৰণ কৰা আৰু মাচুল আৰু প্ৰভাৰ প্ৰাপ্ত কৰা ;

(vii) ইয়াৰ শৈক্ষিক আৰু গৱেষণামূলক কাৰ্য্যক্ৰমৰ বিষয়বস্তু, গুণ, পৰিকল্পনা আৰু নিৰন্তৰ মূল্যাংকণ ব্যৱস্থা এনে ৰীতিত কৰে যিয়ে এটা আন্তৰাষ্টীয় সম্ৰমৰ আস্থা অৰ্জন কৰে ;

(viii) শিক্ষণৰ আৰু গৱেষণাৰ একীকৰণৰ জৰিয়তে তেল, গেছ আৰু পেট্ৰ'লিয়াম উদ্যোগৰ লাভৰ বাবে গৱেষণা আৰু উন্নয়নৰ উন্নতি কৰা ;

(ix) তেল, গেছ আৰু পেট্ৰ'লিয়াম উদ্যোগত ৰাষ্টীয় আঞ্চলিক আৰু আন্তৰ্জাতিক খেলুৱৈৰ সৈতে নেটৱৰ্কিংৰ জৰিয়তে নিকটবৰ্ত্তী শিক্ষামূলক আৰু গৱেষণা আন্তঃক্ৰিয়াৰ বৰ্দ্ধিত কৰা ;

(x) শিক্ষক আৰু বিদ্যাৰ্থীৰ বিনিময়ৰ দ্বাৰা, যুটীয়া গৱেষণা পৰিচালনা, পৃষ্ঠপোষক গৱেষণা উপক্ৰম আৰু পৰামৰ্শকাৰী যোজনা ইত্যাদিৰ দ্বাৰা সেইবোৰলৈ সম্পূৰ্ণভাবে বা আংশিকভাবে সদৃশ উদেশ্য থকা পৃথিৱীৰ কোনো ভাগত শিক্ষামূলক বা গৱেষণা সংঘৰ সৈতে সহযোগ কৰা ;

(xi) পেট্ৰ'লিয়াম আৰু হাইড্ৰ'কাৰ্বন এলেকাত ৰাষ্টীয় আৰু আন্তৰ্জাতিক আলোচনা চক্ৰ, অধ্যয়ন চক্ৰ আৰু সন্মিলনৰ সংগঠন কৰা ;

(xii) ছাত্ৰৰ বাবে ছাত্ৰ নিবাস, আবাসগৃহ আৰু ছাত্ৰাবাসৰ স্থাপন, সংৰক্ষন আৰু পৰিচালনা কৰা ;

(xiii) শৈক্ষিক, প্ৰশাসনিক, কাৰিকৰী আৰু আন পদসমূহ সৃষ্টি কৰা আৰু তাত নিযুক্তি দিয়া ;

(xiv) শিক্ষক আৰু কৰ্মচাৰীবৃন্দৰ আন শ্ৰেণীৰ বাবে আচৰণ বিধিক অন্তৰ্ভুক্ত কৰি সেৱাৰ চৰ্ত্তাৱলী প্ৰণীত কৰা ;

(xv) সংস্থাৰ কৰ্মচাৰীবৃন্দৰ সকলো শ্ৰেণীক অনুশাসনৰ পৰ্য্যবেক্ষন, নিয়ন্ত্ৰণ আৰু বিনিয়মিত কৰা আৰু তেওঁলোকৰ স্বাস্থ্য আৰু সাধাৰণ কল্যাণৰ উন্নীত কৰাৰ বাবে ব্যৱস্থা কৰা ;

(xvi) ছাত্ৰসকলৰ অনুশাসনৰ পৰ্য্যবেক্ষন আৰু বিনিয়মিত কৰা আৰু তেওঁলোকৰ স্বাস্থ্য, সাধাৰণ কল্যাণ আৰু সাংস্কৃতিক আৰু সামুহিক জীৱনৰ উন্নীত কৰাৰ বাবে ব্যৱস্থা কৰা ;

(xvii) পৰিনিয়ম আৰু অধ্যাদেশ উদভাৱন কৰা আৰু সেইবোৰৰ পৰিবৰ্ত্তন সাল-সলনি বা বাতিল কৰা ;

(xviii) ইয়াৰ উদ্দেশ্যৰ অগ্ৰিমৰ অভিবৃদ্ধিৰ বাবে সংস্থাই উচিত গণ্য কৰা দৰে এনে ৰীতিত সংস্থাত থকা বা ন্যস্ত কৰা কোনো সম্পত্তিৰ সংব্যৱহাৰ কৰা ;

(xix) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পৰা উপহাৰ, অনুদান, বৰঙণি বা উপকাৰ গ্ৰহণ কৰা আৰু ইচ্ছাপত্ৰ, বৰঙণি, অনুদান গ্ৰহণ কৰা আৰু ইচ্ছাপত্ৰৰ লিখক, বৰঙণি দাতা, অন্তৰক,

প্ৰাক্তন ছাত্ৰ, উদ্যোগ বা কোনো আন ব্যক্তিৰ পৰা অস্থাৱৰ বা স্থাৱৰ সম্পত্তিৰ অন্তৰণ কৰা ;

(xx) সংস্থাৰ সম্পত্তিৰ সুৰক্ষা সহ বা বিনা সংস্থাৰ প্ৰয়োজনাৰ্থে ধন ধাৰ কৰা ;

(xxi) ছাত্ৰ কেন্দ্ৰিক শিক্ষন কৌশলক উৎসাহিত কৰিবলৈ আৰু শিক্ষনৰ বাবে দৃষ্টিভঙ্গীৰ বিকাশ ঘটাবলৈ শ্ৰেণী কোঠাত নতুন প্ৰযুক্তি বিজ্ঞান সংযোজন কৰা ;

(xxii) বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানৰ আন সম্পৰ্কিত এলেকাৰ দৰে সমগ্ৰ হাইড্ৰ'কাৰ্বন মূল্য শৃঙ্খলাক অন্তৰ্ভুক্ত কৰি পেট্ৰলিয়াম খণ্ডৰ ক্ষেত্ৰত মুদ্ৰিত আৰু অমুদ্ৰিত জ্ঞান উৎসৰ এটা তথ্য আৰু উৎস কেন্দ্ৰৰ বিকাশ পৰিচালনা কৰা ;

(xxiii) তেল, গেছ আৰু সম্পূৰ্ণ হাইড্ৰ'কাৰ্বন মূল্য শৃঙ্খলাৰ সম্পৰ্কিত প্ৰযুক্তি বিজ্ঞানৰ উন্নত এলেকাত সংস্থাৰ কৰ্মৰত বৃত্তিধাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ অতিৰিক্ত শিক্ষাৰ বাবে উপবন্ধ কৰা ; আৰু

(xxiv) সংস্থাৰ উদ্দেশ্যসমূহৰ সকলো বা কোনোটোৰ প্ৰাপ্তিলৈ আৱশ্যকীয়, আনুসাঙ্গিক বা সহায়ক হোৱা দৰে বিশেষ ভাবে অন্তৰ্গত নোহোৱা সকলো কাৰ্য্য কৰা ;

*বোৰ্ডৰ ক্ষমতা*

১০। (১) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, বোৰ্ড, সংস্থাৰ কাৰ্য্যকলাপৰ সাধাৰণ অধীক্ষন, নিৰ্দেশ আৰু নিয়ন্ত্ৰৰ বাবে দায়িত্ববান হ'ব, আৰু পৰিনিয়ম আৰু অধ্যাদেশৰ এই অধিনিয়মৰ দ্বাৰা অন্যথা উপবন্ধিতৰ নোহোৱা সকলো ক্ষমতা কাৰ্যকৰী কৰিব আৰু চিনেটৰ কাৰ্য্য পুনৰীক্ষন কৰাৰ ক্ষমতা থাকিব।

(২) উপধাৰা (১)ৰ উপবন্ধাৱলীৰ প্ৰতিকুল নোহোৱাকৈ বোৰ্ডে----------

(ক) সংস্থাৰ প্ৰশাসন আৰু কৰ্ম সম্পৰ্কত নীতিৰ প্ৰশ্নসমূহত বিনিশ্চয় লব ;

(খ) পাঠ্যক্ৰমৰ অবধি সংস্থাৰ দ্বাৰা প্ৰদত্ত ডিগ্ৰী আৰু আন উপাধিসমূহৰ নামাকৰণৰ পদ্ধতি সম্বন্ধত নীতি প্ৰণীত কৰিব ;

(গ) অধ্যয়নৰ পাঠ্যক্ৰম সংস্থিত কৰিব আৰু সংস্থাৰ দ্বাৰা প্ৰদান কৰা পাঠ্যক্ৰমৰ সম্বন্ধত বিশিষ্টতাৰ মানদণ্ড আৰু আন শৈক্ষিক উপাধিসমূহৰ সংৰচনা কৰিব ;

(ঘ) শিক্ষন আৰু গৱেষণা বিভাগ আৰু সংস্থাৰ আন কৰ্মচাৰীবৃন্দৰ সংবৰ্গ, গাঠনি অৰ্হতা, প্ৰবেশনৰ পদ্ধতি আৰু সেৱাৰ চৰ্তাৱলীৰ সম্বন্ধত নীতি সংৰচনা কৰিব ;

(ঙ) সংস্থাৰ সম্পদা সঞ্চালক পৰিচালিত কৰা আৰু বিনিয়োগৰ বাবে নীতিসমূহৰ সংৰচনা কৰিব ;

(চ) সংস্থাৰ সম্পত্তি প্ৰতিভূতি সহ বা বিনা সংস্থাৰ প্ৰয়োজনাৰ্থে ঋণ গ্ৰহণৰ বাবে প্ৰস্তাব বিবেচনা আৰু অনুমোদন কৰিব ;

(ছ) পৰিনিয়ম প্ৰণয়ন কৰা আৰু সেইবোৰৰ পৰিবৰ্ত্তন, সাল-সলনি বা বাতিল কৰিব ;

(জ) পৰবৰ্ত্তী বিত্তীয় বৰ্ষৰ বাবে, ইয়াৰ উন্নয়নৰ আঁচনিৰ এটা বিবৃতি সহ একেলগে ই উচিত বিবেচনা কৰা দৰে, সংস্থাৰ বাৰ্ষিক প্ৰতিবেদন, বাৰ্ষিক হিচাপ আৰু প্ৰাক্‌কলিত বাজেটৰ বিবেচনা কৰিব আৰু প্ৰস্তাব পাৰিত কৰিব ; আৰু

(ঝ) উপৰোক্ত ক্ষমতাৰ সকলো বা যিকোনোটোৰ প্ৰাপ্তিলৈ আৱশ্যকীয় আনুসাঙ্গিক বা সহায়ক হোৱা দৰে এনে সকলো কাৰ্য্য কৰিব।

(৩) বোৰ্ডৰ, এই অধিনিয়মৰ অধীনত ইয়াৰ ক্ষমতাসমূহৰ কাৰ্য্যকৰীকৰণ আৰু ইয়াৰ কৰ্তব্যসমূহৰ সম্পাদনৰ বাবে ই আৱশ্যকীয় বিবেচনা কৰা দৰে এনে কমিটী সমূহক নিযুক্তি দিয়াৰ ক্ষমতা থাকিব।

(৪) বোৰ্ডৰ, ভাৰতবৰ্ষৰ ভিতৰত বা বাহিৰত কোনো স্থানত বিদ্যালয় চৌহদ আৰু শৈক্ষিক কেন্দ্ৰ স্থাপন কৰাৰ ক্ষমতা থাকিব ;

পৰন্তু কোনো বিদ্যালয় চৌহদ বা শৈক্ষিক কেন্দ্ৰ, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদন বিনা ভৰতবৰ্ষৰ বাহিৰত স্থাপিত নহব ।

(৫) ধাৰা ৪ত কোনো কথা থকা স্বত্বেও, বোৰ্ডে, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব অনুমোদন বিনা কোনো ৰীতিত সংস্থাৰ কোনো স্থাৱৰ সম্পত্তি নিস্পত্তি নকৰিব ।

(৬) বোৰ্ডে, এই প্ৰভাৱলৈ এটা বিনিৰ্দিষ্ট প্ৰস্তাবৰ জৰিয়তে এনে দৰে অৰ্পিত কৰা প্ৰাধিকাৰীৰ অধীনত গ্ৰহণ কৰিবলগীয়া কাৰ্য্যৰ পুনৰীক্ষন কৰাৰ অধিকাৰৰ আৰক্ষনৰ সাপেক্ষে সংস্থাৰ সভাপতি, সঞ্চালক কোনো পদাধিকাৰী বা কোনো প্ৰাধিকাৰীক, ইয়াৰ যি কোনো ক্ষমতা আৰু কৰ্তব্য অৰ্পণ কৰিব পাৰে।

*সংস্থা, সকলো জাতি, ধৰ্ম আৰু শ্ৰেণীৰ বাবে মুকলি থাকিব।*

১১। (১) সংস্থা উভয় লিঙ্গ আৰু জাতি ধৰ্ম, বৰ্ণ বা শ্ৰেণী যিটোৱেই হওঁক সকলো ব্যক্তিৰ বাবে মুকলি থাকিব আৰু কোনো পৰীক্ষা বা চৰ্ত্ত, ধৰ্মীয় বিশ্বাস বা ছাত্ৰ সকলৰ নাম ভৰ্ত্তিকৰনত ব্যৱসায়, শিক্ষক বা কৰ্মচাৰীৰ নিযুক্তি বা আন কোনো সম্পৰ্কত যিটোৱেই হওঁক, আৰোপিত কৰা নহব ।

(২) কোনো উপহাৰ, বৰঙণি বা কোনো সম্পত্তিৰ অন্তৰণ সংস্থাৰ দ্বাৰা গ্ৰহনযোগ্য নহব যিটো বোৰ্ডৰ মতত, এই ধাৰা মূল কথা আৰু উদ্দেশ্যৰ বিৰুদ্ধ হোৱা চৰ্ত্ত আৰু দায়িত্ব জড়িত হয় ।

*সংস্থাত দিয়া শিক্ষা*

১২। সংস্থাত থকা সকলো শিক্ষন আৰু শৈক্ষিক কাৰ্য্যকলাপৰ এই মৰ্মে প্ৰণীত পৰিনিয়ম আৰু অধ্যাদেশৰ অনুসৰনত সংস্থাৰ দ্বাৰা বা নামত পৰিচালিত কৰা হ'ব ।

*কুলাধ্যক্ষ*

১৩। (১) ভাৰতৰ ৰাষ্ট্ৰপতি সংস্থাৰ কুলাধ্যক্ষ হব।

(২) কুলাধ্যক্ষই, সংস্থাৰ কামকাজ আৰু উন্নয়নৰ পুনৰীক্ষন কৰিবলৈ আৰু ইয়াৰ কাৰ্য্যকলাপৰ অনুসন্ধান কৰিবলৈ আৰু এনে ৰীতিত ইয়াৰ ওপৰত প্ৰতিবেদন দিবলৈ, কুলাধ্যক্ষই নিৰ্দেশিত কৰা দৰে এজন বা ততোধিক ব্যক্তিক নিযুক্তি দিব পাৰে।

(৩) এনে কোনো প্ৰতিবেদনৰ প্ৰাপ্তিত, কুলাধ্যক্ষই, প্ৰতিবেদনত সংব্যৱহৃত হোৱা বিষয়সমূহৰ যিকোনোটোৰ সম্বন্ধত তেওঁ আৱশ্যকীয় বিবেচনা কৰা দৰে এনে কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব আৰু এনে নিৰ্দেশনা জাৰী কৰিব পাৰে আৰু সংস্থাই এনে নিৰ্দেশ সমূহ পালন কৰিবলৈ বাধ্য হব।

*সংস্থাৰ প্ৰাধিকাৰ*

১৪। নিম্নলিখিত সমূহ সংস্থাৰ প্ৰাধিকাৰ হব, অৰ্থাৎ ঃ-

(ক) সাধাৰণ পৰিষদ ;

(খ) প্ৰশাসিক বোৰ্ড ;

(গ) চিনেট ; আৰু

(ঘ) সংস্থাৰ প্ৰাধিকাৰ বুলি পৰিনিয়মৰ দ্বাৰা ঘোষিত কৰা এনে আন প্ৰাধিকাৰ।

*সাধাৰণ পৰিষদৰ স্থাপন।*

১৫। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখৰ পৰা প্ৰভাবী হোৱাকৈ, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, সাধাৰণ পৰিষদ নামেৰে জ্ঞাত কোনো নিকায় স্থাপিত কৰিব।

(২) সাধাৰণ পৰিষদ নিম্নলিখিত সদস্যসমূহেৰে গঠিত হব, অৰ্থাৎ ঃ-

(ক) কেন্দ্ৰীয় চৰকাৰৰ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ, পদেন সচিবজন, অধ্যক্ষ হব ;

(খ) ভাৰতীয় তেল নিগম পৰিসীমিতৰ অধ্যক্ষ, পদেন ;

(গ) হিন্দুস্থান পেট্ৰ'লিয়াম নিগম পৰিসীমিতৰ সভাপতি আৰু পৰিচালন সঞ্চালক, পদেন ;

(ঘ) ভাৰত পেট্ৰ'লিয়াম নিগম পৰিসীমিত সভাপতি আৰু পৰিচালন সঞ্চালক, পদেন ;

(ঙ) তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ সভাপতি আৰু পৰিচালন সঞ্চালক, পদেন ;

(চ) ভাৰত গেছ প্ৰাধিকাৰী পৰিসীমিতৰ সভাপতি আৰু পৰিচালন সঞ্চালক, পদেন ;

(ছ) ভাৰতীয় তেল পৰিসীমিতৰ সভাপতি আৰু পৰিচালন সঞ্চালক, পদেন ;

(জ) হাইড্ৰ'কাৰ্বনৰ সঞ্চালক প্ৰধান, পদেন ;

(ঝ) (শক্তি), পৰিকল্পনা আয়োগৰ মুখ্য উপদেষ্টা, পদেন ;

(ঞ) তেল উদ্যোগ সুৰক্ষা সঞ্চালকালয়ৰ কাৰ্য্যবাহী সঞ্চালক, পদেন ;

(ট) ভৰতীয় প্ৰযুক্তি বিজ্ঞান সংস্থা, কানপুৰৰ সঞ্চালক, পদেন ;

(ঠ) ৰাসায়নিক প্ৰযুক্তি বিজ্ঞান বিশ্ববিদ্যালয় সংস্থা, মোম্বাই বিশ্ববিদ্যালয়ৰ সঞ্চালক, পদেন ;

(ড) তেল উদ্যোগ উন্নয়ন বোৰ্ডৰ সচিব, পদেন ;

(ঢ) বোৰ্ডৰ সভাপতি, পদেন ;

(ণ) সংস্থাৰ সঞ্চালক, পদেন ; আৰু

(ত) দেশত পৰৱৰ্ত্তিত হোৱা পেট্ৰ'লিয়াম খণ্ডৰ ক্ষেত্ৰত ব্যক্তিগত স্থিতিৰ প্ৰতিনিধিত্ব কৰা দুজনতকৈ কম নোহোৱা কিন্তু চাৰিজনৰ অনধিক হোৱা ব্যক্তিসমূহক অধ্যক্ষৰ দ্বাৰা মনোনীত কৰা হ'ব।

(৩) সংস্থাৰ পঞ্জীয়ক সাধাৰণ পৰিষদৰ পদেন সচিব হ'ব।

(৪) অধ্যক্ষৰ, ইয়াৰ সভাসমূহত উপস্থিতি থাকিবলৈ সাধাৰণ পৰিষদৰ এজন সদস্য নোহোৱা কোনো ব্যক্তিক নিমন্ত্ৰণ দিয়াৰ অধিকাৰ থাকিব কিন্তু এনে নিমন্ত্ৰিত ব্যক্তি ভোট দিবলৈ হ'কদাৰ নহব।

*সাধাৰণ পৰিষদৰ ক্ষমতা আৰু কৃত্য সমূহ।*

১৬। এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, সাধাৰণ পৰিষদৰ নিম্নলিখিত ক্ষমতা আৰু কৃত্যসমূহ থাকিব, অৰ্থাৎ ঃ-

(ক) সংস্থাৰ বিস্তৃত নীতি আৰু আঁচনিসমূহ সময়ে সময়ে পুনৰীক্ষন কৰিব আৰু ইয়াৰ উন্নতিৰ আৰু উন্নয়নৰ বাবে ব্যৱস্থা সমূহৰ পৰামৰ্শ দিব ;

(খ) হিচাপৰ বাৰ্ষিক বিবৃতিৰ এটা হিচাপ পৰীক্ষা প্ৰতিবেদন সৈতে একেলগে উদ্ধৃত পত্ৰ সহ আৰু তাত প্ৰশাসক বোৰ্ডৰ নিৰীক্ষনক অন্তৰ্ভুক্ত কৰি হিচাপ সমূহৰ বাৰ্ষিক বিবৃতি বিবেচনা কৰিব আৰু সংস্থাৰ বিত্ত সম্বন্ধীয় ব্যৱস্থাপনাত উন্নতিৰ বাবে পৰামৰ্শ দিব ;

(গ) সংস্থাৰ সাধাৰণ গুণ আৰু কাৰ্য্যকাৰিতাৰ পুনৰীক্ষন আৰু মূল্যায়ন কৰিব আৰু কাৰ্য্য সম্পাদনৰ উন্নতিৰ বাবে আৰু সংস্থা আৰু ইয়াৰ বাজি ধৰোতাৰ মাজত বিশ্বাস জন্মোৱাৰ বাবে ব্যৱস্থাৰ পৰামৰ্শ দিব ;

(ঘ) বিশেষভাৱে ছাত্ৰসকলৰ নিয়োজন আৰু সম্পদা সুসজ্জিত সম্বন্ধত সংস্থাৰ বাবে বিশ্বাসযোগ্যতা, পৰিবেশ, সংযোজক আৰু যোগাযোগৰ উপবন্ধ কৰা ;

(ঙ) বোৰ্ডৰ দ্বাৰা পৰামৰ্শ কৰাৰ বাবে ইয়ালৈ নিৰ্দেশিত কৰা সমগ্ৰ হাইড্ৰ'কাৰ্বন মূল্য শৃঙ্খলাৰ অন্তৰ্গত পেট্ৰ'লিয়াম খণ্ডৰ ক্ষেত্ৰত প্ৰযুক্তি বিজ্ঞানৰ উন্নত এলেকাৰ সম্বন্ধত আৰু কোনো আন বিষয়ৰ সম্বন্ধত সংস্থা আৰু ইয়াৰ বোৰ্ডক পৰামৰ্শ দিব ।

*চিনেট*

১৭। সংস্থাৰ চিনেট, মুখ্য শৈক্ষিক নিকায় হব আৰু ইয়াৰ গঠন পৰিনিয়মৰ দ্বাৰা উপবন্ধিত কৰা দৰে হ'ব ।

*চিনেটৰ কৃত্য*

১৮। এই অধিনিয়ম উপবন্ধাৱলী, পৰিনিয়ম আৰু অধ্যাদেশ সমূহৰ সাপেক্ষে চিনেটৰ, নিয়ন্ত্ৰন আৰু সাধাৰণ বিনিয়মন থাকিব আৰু সংস্থা, নিৰ্দেশনা, শিক্ষন আৰু পৰীক্ষাৰ মানদণ্ডৰ সংৰক্ষণৰ

বাবে দায়িত্ববান হ'ব আৰু পৰিনিয়মৰ দ্বাৰা ইয়াৰ ওপৰত প্ৰদত্ত বা অৰ্পিত কৰা দৰে এনে আন ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে আন কৰ্তব্য সম্পাদন কৰিব।

*বোৰ্ডৰ সভাপতি*

১৯। (১) সভাপতিয়ে সাধাৰণতে, বোৰ্ডৰ সভাসমূহত আৰু সংস্থাৰ সন্মিলনত সভাপতিত্ব কৰিব।

(২) বোৰ্ডৰ দ্বাৰা লোৱা বিনিশ্চয়সমূহ প্ৰয়োগ হোৱা বুলি সুনিশ্চিত কৰাটো সভাপতিৰ কৰ্তব্য হ'ব।

(৩) সভাপতিয়ে, এই অধিনিয়ম বা পৰিনিয়মৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰা দৰে এনে আন ক্ষমতাসমূহ কাৰ্যকৰী কৰিব আৰু এনে আন কৰ্তব্য সমূহ সম্পাদন কৰিব।

*সঞ্চালক*

২০। (১) সংস্থাৰ সঞ্চালকক, পৰিনিয়মৰ দ্বাৰা উপবন্ধিত কৰা দৰে এনে ৰীতিত আৰু এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্তি দিয়া হ'ব ঃ

পৰন্তু প্ৰথম সঞ্চালকক, প্ৰথম পৰিনিয়ম বলবৎ হোৱা তাৰিখৰ পৰা ছয়মাহৰ অনধিক এটা কালৰ বাবে, ই উচিত গণ্য কৰা দৰে, এনে নিবন্ধন আৰু চৰ্ত্তৱলীৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্তি দিয়া হ'ব।

(২) সঞ্চালক, সংস্থাৰ মুখ্য শৈক্ষিক আৰু কাৰ্য্যবাহী পদাধিকাৰী হ'ব আৰু সংস্থাৰ সমুচিত প্ৰশাসন আৰু শৈক্ষিক সম্পাদনৰ বাবে আৰু তাত শিক্ষা দিয়া আৰু অনুশাসন বজাই ৰখাৰ বাবে দায়িত্ববান হ'ব।

(৩) সঞ্চালকে, বোৰ্ডক, বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপসমূহ দাখিল কৰিব।

(৪) সঞ্চালকে, এই অধিনিয়ম, পৰিনিয়ম বা অধ্যাদেশসমূহৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰা দৰে এনে আন ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব আৰু এনে আন কৰ্তব্যসমূহ সম্পাদন কৰিব।

*পঞ্জীয়ক*

২১। (১) সংস্থাৰ পঞ্জীয়কক পৰিনিয়মৰ দ্বাৰা উপবন্ধিত কৰা দৰে এনে ৰীতিত আৰু এনে নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত নিযুক্তি দিয়া হ'ব আৰু তেওঁ, সংস্থাৰ অভিলেখ, সাধাৰণ মোহৰ, নিধি আৰু সংস্থাৰ এনে আন সম্পত্তিৰ অভিৰক্ষাত থাকিব, যিদৰে বোৰ্ড তেওঁৰ ভাৰসাধনত সোপৰ্দ কৰিব।

(২) পঞ্জীয়কে, পৰিনিয়মৰ দ্বাৰা উপবন্ধিত কৰা দৰে সাধাৰণ পৰিষদ, বোৰ্ড, চিনেট আৰু কমিটী সমূহৰ সচিবৰূপে কাৰ্য্য কৰিব।

(৩) পঞ্জীয়ক, তেওঁ কৃত্যসমূহৰ উচিত নিৰ্বহনৰ বাবে সঞ্চালকলৈ দায়িত্ববান হ'ব।

(৪) পঞ্জীয়কে, এই অধিনিয়ম, পৰিনিয়মৰ দ্বাৰা বা সঞ্চালকৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰা দৰে এনে আন ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব আৰু এনে আন কৰ্তব্যসমূহ সম্পাদন কৰিব।

*আন প্ৰাধিকাৰী আৰু পদাধিকাৰী সমূহৰ ক্ষমতা আৰু কৰ্তব্যসমূহ।*

২২। ইয়াত ইয়াৰ পূৰ্বে উল্লেখিতবোৰৰ ভিন্ন প্ৰাধিকাৰী আৰু পদাধিকাৰী সমূহৰ ক্ষমতা আৰু কৰ্তব্যসমূহ পৰিনিয়মৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা হব।

*কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া অনুদান।*

২৩। এই অধিনিয়মৰ অধীনত সুদক্ষৰূপে ইয়াৰ কৃত্যসমূহৰ নিৰ্বহন কৰিবলৈ সংস্থাক সমৰ্থবান কৰাৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰে এই মৰ্মে বিধিৰ দ্বাৰা সংসদৰ দ্বাৰা কৰা সম্যকবিনিয়োগৰ পিছত ধনৰাশিৰ এনে পৰিমাণ প্ৰত্যেক বিত্তীয় বৰ্ষত আৰু ই উচিত বুলি ভবা দৰে এনে ৰীতিত, সংস্থাক আদায় দিব।

*সংস্থাৰ নিধি*

২৪। (১) সংস্থাই এটা নিধি সংৰক্ষণ কৰিব য'লৈ নিম্নলিখিত সমূহক জমা কৰা হব ------

(ক) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা উপবন্ধিত সকলো ধনৰাশি ;

(খ) সকলো মাচুল আৰু আন প্ৰভাৰ ;

(গ) অনুদান, উপহাৰ, বৰঙণি, অনুগ্ৰহ, ইচ্ছাপত্ৰৰ দ্বাৰা দান কৰা বা অন্তৰণৰ জৰিয়তে সংস্থাৰ দ্বাৰা প্ৰাপ্ত কৰা সকলো ধনৰাশি ;

(ঘ) আন কোনো ৰীতিত সংস্থাৰ দ্বাৰা বা আন কোনো উৎসৰ পৰা প্ৰাপ্ত কৰা সকলো ধনৰাশি।

(২) নিধিত জমা হোৱা সকলো ধনৰাশি এনে বেঙ্কত জমা কৰা হব বা এনে ৰীতিত বিনিয়োগ কৰা হব যিদৰে বোৰ্ডৰ দ্বাৰা বিনিশ্চয় কৰা হয়।

(৩) নিধি, এই অধিনিয়মৰ অধীনত ইয়াৰ ক্ষমতাৰ কাৰ্য্যকৰীকৰণত আৰু ইয়াৰ কৰ্তব্যসমূহৰ নিৰ্বহনত উপগত হোৱা ব্যয়ক অন্তৰ্ভুক্ত কৰি সংস্থাৰ ব্যয়সমূহৰ পূৰণত প্ৰয়োগ হব।

*নিধিকোষৰ স্থাপন*

২৫। ধাৰা ২৪ত কোনো কথা থকা স্বত্বেও, সংস্থাই ,-----------

(ক) এটা বিনিৰ্দিষ্ট প্ৰয়োজনৰ বাবে এটা নিধিকোষ আৰু কোনো আন নিধি স্থাপন কৰিব পাৰে ; আৰু

(খ) এটা নিধিকোষ বা কোনো আন নিধিলৈ ইয়াৰ নিধিৰ পৰা ধনৰাশিৰ অন্তৰণ কৰিব পাৰে।

*হিচাপ আৰু হিচাপ পৰীক্ষা।*

২৬। (১) সংস্থাই সঠিক হিচাপ আৰু আন সুসঙ্গ অভিলেখ ৰাখিব আৰু ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে প-পত্ৰত উদ্বৃত্তপত্ৰ অন্তৰ্ভুক্ত কৰি হিচাপ সমূহৰ এটা বাৰ্ষিক বিবৃতি প্ৰস্তুত কৰিব।

(২) সংস্থাৰ হিচাপসমূহ, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা হিচাপ পৰীক্ষা কৰা হ'ব আৰু এনে হিচাপ পৰীক্ষাৰ সৈতে জড়িত তেওঁৰ দ্বাৰা উপগত কোনো ব্যয় ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকলৈ সংস্থাৰ দ্বাৰা আদায় দিয়া হ'ব।

(৩) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক আৰু সংস্থাৰ হিচাপসমূহৰ হিচাপ পৰীক্ষাৰ সৈতে জড়িত তেওঁৰ দ্বাৰা নিয়োজিত কোনো ব্যক্তিৰ, এনে হিচাপ পৰীক্ষাৰ সৈতে সম্বন্ধিত একে অধিকাৰ, বিশেষাধিকাৰ আৰু প্ৰাধিকাৰ থাকিব যিদৰে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ, চৰকাৰী হিচাপ সমূহৰ হিচাপ পৰীক্ষাৰ সম্বন্ধত থাকে আৰু বিশেষত ; বহী, হিচাপসমূহ সংলগ্নক প্ৰমাণক আৰু আন দস্তাবেজ আৰু কাগজ পত্ৰ উপস্থাপনৰ দাবী কৰিবলৈ আৰু সংস্থাৰ কাৰ্য্যালয়সমূহ পৰিদৰ্শন কৰিবলৈ অধিকাৰ থাকিব।

(৪) নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ বা তাত হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ সৈতে একেলগে এই মৰ্মে তেওঁৰ দ্বাৰা নিয়োজিত কোনো আন ব্যক্তিৰ দ্বাৰা প্ৰমাণিত কৰা সংস্থাৰ হিচাপ, কেন্দ্ৰীয় চৰকাৰলৈ বৰ্ষিক ভাবে প্ৰেৰণ কৰা হ'ব আৰু সেই চৰকাৰে, এইবোৰক সংসদৰ প্ৰত্যেক সদনত উপস্থাপিত কৰিবলৈ কাৰিত কৰিব।

*পেন্‌চন আৰু ভবিষ্যনিধি।*

২৭। (১) সংস্থাই, সঞ্চালকক অন্তৰ্ভুক্ত কৰি, ইয়াৰ কৰ্মচাৰীৰ হিতৰ বাবে, পৰিনিয়মৰ দ্বাৰা উপবন্ধিত কৰা দৰে এনে ৰীতিত আৰু এনে চৰ্ত্তৱলীৰ সাপেক্ষে, ই উচিত বুলি গণ্য কৰা দৰে, এনে পেন্‌চন বীমা আৰু ভৱিষ্যনিধি আঁচনিসমূহ গঠন কৰিব।

*১৯২৫ ৰ ১৯*

(২) য'ত কোনো এনে ভৱিষ্যনিধি এনেদৰে গঠিত হৈছে, কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে যে ভৱিষ্যনিধি অধিনিয়ম, ১৯২৫ এনে নিধিলৈ প্ৰযোজ্য হব যেনিবা, ই এটা চৰকাৰী ভৱিষ্যনিধিহে আছিল।

*নিযুক্তি*

২৮। সঞ্চালক ব্যতিৰেকে, সংস্থাৰ কৰ্মচাৰীৰ সকলো নিযুক্তি, পৰিনিয়মত প্ৰণীত প্ৰক্ৰিয়াৰ অনুসৰণত বোৰ্ডৰ দ্বাৰা দিয়া হ'ব।

(ক) যদি নিযুক্তি সহকাৰী অধ্যাপক বা ওপৰৰ পদত শৈক্ষিক কৰ্মচাৰীত দিয়া হয় বা যদি কোনো নিযুক্তি সংবৰ্গত এটা অশৈক্ষিক কৰ্মচাৰীত হয়, অধিকতম দৰমহা নিৰিখ যাৰ বাবে এইটো সহকাৰী অধ্যাপকৰ সৈতে একে বা তাতকৈ অধিক হয় ; আৰু

(খ) কোনো আন ক্ষেত্ৰত সঞ্চালকৰ দ্বাৰা ।

*পৰিনিয়ম*

২৯। এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, পৰিনিয়মে, নিম্নলিখিত বিষয়সমূহৰ সকলো বা কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে অৰ্থাৎ ঃ

(ক) শিক্ষন বিভাগ আৰু আন শৈক্ষিক গোটৰ গঠন ;

(খ) বৃত্তিধাৰী সদস্য পদ, বৃত্তি, ছাত্ৰবৃত্তি, মেদেল আৰু পুৰস্কাৰৰ সংস্থিতকৰণ ;

(গ) পৰিনিয়মৰ দ্বাৰা সংস্থাৰ পদাধিকাৰী ৰূপে ঘোষণা কৰা সভাপতি, সঞ্চালক, পঞ্জীয়ক আৰু এনে আন পদাধিকাৰী সমূহক অন্তৰ্ভুক্ত কৰি সংস্থাৰ পদাধিকাৰীৰ পদসমূহৰ শ্ৰেণী বিভাগ, পদাৱধি, নিযুক্তিৰ পদ্ধতি, ক্ষমতা আৰু কৰ্তব্য আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী ;

(ঘ) সংস্থাৰ পদাধিকাৰী শিক্ষক আৰু আন কৰ্মীবৃন্দৰ শ্ৰেণীবিভাগ, নিযুক্তি পদ্ধতি আৰু সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলীৰ অৱধাৰণ কৰা ;

(ঙ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অৱধাৰণ কৰা দৰে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু ব্যক্তিসমূহৰ আন শ্ৰেণীৰ বাবে পদসমূহ আৰক্ষন কৰা ;

(চ) সংস্থাৰ পদাধিকাৰী শিক্ষক আৰু আন কৰ্মীবৃন্দৰ হিতৰ বাবে পেন্‌চন, বীমা আৰু ভবিষ্য নিধি গঠন কৰা ;

(ছ) ধাৰা ১৪ ৰ খণ্ড (ঘ) ত নিৰ্দেশিত সংস্থাৰ আন প্ৰাধিকাৰীৰ গঠন, ক্ষমতা আৰু কৰ্তব্য ;

(জ) ক্ষমতাৰ আৰোপন ;

(ঝ) অসদাচৰণৰ ক্ষেত্ৰত কৰ্মচাৰীবৃন্দৰ সেৱাৰ পৰা অপসাৰণক অন্তৰ্ভুক্ত কৰি অসদাচৰণৰ বাবে তাত আচৰণ বিধি, অনুশাসনমূলক কাৰ্য্য ব্যৱস্থা আৰু সংস্থাৰ কোনো পদাধিকাৰী বা প্ৰধিকাৰীৰ কাৰ্য্য ব্যৱস্থাৰ বিৰুদ্ধে আপীলৰ বাবে প্ৰক্ৰিয়া ;

(ঞ) সন্মানীয় ডিগ্ৰী প্ৰদান ;

(ট) ছাত্ৰ নিবাস, আবাসগৃহ আৰু ছাত্ৰবাসৰ স্থাপন আৰু পৰিচালনা কৰা ;

(ঠ) বোৰ্ডৰ আদেশ আৰু বিনিশ্চয়ৰ অধিপ্ৰমাণিতকৰণ ; আৰু

(ড) এই অধিনিয়মৰ দ্বাৰা কোনো আন বিষয় যিটো, পৰিনিয়মৰ দ্বাৰা উপবন্ধিত কৰাব বা কৰিব পাৰে।

*পৰিনিয়ম কেনেকৈ প্ৰণীত হ'ব।*

৩০। (১) সংস্থাৰ প্ৰথম পৰিনিয়ম, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা হব আৰু তাৰ এটা প্ৰতিলিপি, ইয়াক প্ৰণীত কৰাৰ পিচত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব।

(২) বোৰ্ডে, সময়ে সময়ে, নতুন বা অতিৰিক্ত পৰিনিয়ম প্ৰণয়ন কৰিব পাৰে বা ইয়াৰ পিচত এই ধাৰাত উপবন্ধিত ৰীতিত পৰিনিয়ম সংশোধন বা নিৰসন কৰিব পাৰে।

(৩) এটা নতুন পৰিনিয়ম বা পৰিনিয়মৰ অতিৰিক্ত বা এটা পৰিনিয়মৰ কোনো সংশোধন বা নিৰসনে সাধাৰণ পৰিষদৰ পূৰ্ব অনুমোদন অপেক্ষিত কৰিব যিটো তাত সন্মতি দিয়ে বা সন্মতি প্ৰত্যাহাৰ কৰে বা বিবেচনাৰ বাবে বোৰ্ডলৈ ইয়াক ৰেহাই দিব পাৰে।

(৪) এটা নতুন পৰিনিয়ম বা এটা বিদ্যমান পৰিনিয়ম সংশোধন বা নিৰসন কৰা এটা পৰিনিয়মৰ,কোনো বৈধতা নাথাকিব যি পৰ্য্যন্ত ইয়াক সাধাৰণ পৰিষদৰ দ্বাৰা সন্মতি দিয়া নহয়।

*অধ্যাদেশ*

৩১। এই অধিনিয়মৰ উপবন্ধাৱলী আৰু পৰিনিয়মসমূহৰ সাপেক্ষে, অধ্যাদেশসমূহে, নিম্নলিখিত বিষয়সমূহৰ সকলো বা কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) সংস্থাৰ ছাত্ৰসকলৰ ভৰ্তিকৰণ ;

(খ) অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু ব্যক্তি সমূহৰ আন শ্ৰেণী সমূহৰ বা আৰক্ষণ ;

(গ) সংস্থাৰ সকলো ডিগ্ৰী, ডিপ্লোমা আৰু প্ৰমাণপত্ৰ সমূহৰ বাবে ব্যৱস্থা কৰিবলগীয়া পাঠ্যক্ৰম ;

(ঘ) চৰ্তাৱলী, যাৰ অধীনত ছাত্ৰসকলক, ডিগ্ৰী, ডিপ্লোমা আৰু পাঠ্যক্ৰমৰ প্ৰমাণপত্ৰ লৈ আৰু সংস্থাৰ পৰীক্ষা লৈ ভৰ্তি কৰা হ'ব আৰু এইবোৰৰ প্ৰদান কৰাৰ বাবে চৰ্তাৱলী যোগ্যতা ;

(ঙ) বৃত্তিধাৰী সদস্য পদ, বৃত্তি, ছাত্ৰবৃত্তি, মেদেল আৰু পুৰস্কাৰ প্ৰদানৰ চৰ্তাৱলী ;

(চ) নিযুক্তিৰ চৰ্তাৱলী আৰু ৰীতি আৰু পৰীক্ষণ নিকায় পৰীক্ষক আৰু পৰীক্ষা নিয়ন্ত্ৰকৰ কৰ্তব্য সমূহ ;

(ছ) পৰীক্ষাৰ পৰিচালনা কৰা ;

(জ) সংস্থাৰ ছাত্ৰসকলৰ মাজত অনুশাসন ৰক্ষা কৰা ;

(ঝ) সংস্থাত পাঠ্যক্ৰমৰ বাবে আৰু পৰীক্ষাত প্ৰবেশৰ বাবে প্ৰভাৰিত মাচুল ;

(ঞ) সংস্থাৰ ছাত্ৰসকলৰ আবাস গৃহৰ অৱস্থা আৰু ছাত্ৰ নিবাস আৰু ছাত্ৰবাস থকা আবাসীৰ বাবে মাচুল আৰু আন প্ৰভাৰ সমূহৰ উদগ্ৰহন ; আৰু

(ট) এই অধিনিয়ম বা পৰিনিয়মৰ দ্বাৰা কোনো আন বিষয় যিটো অধ্যাদেশৰ দ্বাৰা উপবন্ধিতৰ বাবে কৰাব বা কৰিব পাৰে ;

*অধ্যাদেশ কেনেকৈ প্ৰণীত হ'ব।*

৩২। (১) এই ধাৰাত অন্যথা উপবন্ধিতৰ ব্যতিৰেকে অধ্যাদেশ, চিনেটৰ দ্বাৰা প্ৰণীত কৰা হব।

(২) চিনেটৰ দ্বাৰা প্ৰণীত সকলো অধ্যাদেশৰ, ই নিৰ্দেশ দিয়া দৰে এনে তাৰিখৰ পৰা প্ৰভাবী হ'ব, কিন্তু এনেদৰে প্ৰণীত প্ৰত্যেক অধ্যাদেশ যথাশীঘ্ৰে বোৰ্ডত উপস্থাপন কৰা হ'ব আৰু ইয়াৰ পৰৱতী সভাসমূহত বোৰ্ডৰ দ্বাৰা বিবেচিত কৰা হ'ব।

(৩) বোৰ্ডৰ, প্ৰস্তাৱৰ দ্বাৰা, এনে কোনো অধ্যাদেশ সলনি বা বাতিল কৰিবলৈ ক্ষমতা থাকিব আৰু এনে অধ্যাদেশ, প্ৰস্তাৱৰ তাৰিখৰ পৰা তদনুসাৰে সাল-সলনি বা যথাস্থিতি বাতিল হ'ব।

*সংস্থাৰ প্ৰাধিকাৰীৰ ব্যৱসায়ৰ পৰিচালনা কৰা।*

৩৩। সংস্থাৰ প্ৰাধিকাৰীৰ, তেওঁলোকৰ নিজা ব্যৱসায়ৰ আৰু তেওঁলোকৰ দ্বাৰা নিয়োজিত আৰু এই অধিনিয়ম, পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা উপবন্ধিত নোহোৱা বা সমিতি যদি কিবা থাকে, তাৰ পৰিচালনাৰ বাবে এই অধিনিয়মৰ উপবন্ধাৱলী, পৰিনিয়ম আৰু অধ্যাদেশৰ সুসঙ্গত হোৱা তেওঁলোকৰ নিজা প্ৰক্ৰিয়াৰ নিয়মাৱলী থাকিব।

*মধ্যস্থৰ ন্যায়াধিকৰণ।*

৩৪। (১) সংস্থা আৰু ইয়াৰ কোনো কৰ্মীবৃন্দৰ মাজত এটা চুক্তিৰ পৰা উদ্ভৱ হোৱা কোনো বিবাদক, সংশিষ্ট কৰ্মীৰ অনুৰোধত বা আবেদনৰ অনুৰোধত বা সংস্থাৰ কথা মতে সংস্থাৰ দ্বাৰা নিয়োজিত এজন সদস্য, কৰ্মীবৃন্দৰ দ্বাৰা মনোনীত এজন সদস্য আৰু কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত এজন নিৰ্ণায়কেৰে গঠিত কোনো ন্যায়াধিকৰণলৈ নিৰ্দেশিত কৰিব।

(২) মধ্যস্থ ন্যায়াধিকৰণৰ বিনিশ্চয় চুড়ান্ত হ'ব।

(৩) কোনো বাদ বা কাৰ্য্যবাহী, কোনো বিষয়ৰ সম্বন্ধত কোনো ন্যায়ালয়ত কৰা নহব যিটো মধ্যস্থ ন্যায়াধিকৰণলৈ নিৰ্দেশিত হবলৈ উপধাৰা (১)ৰ দ্বাৰা অপেক্ষিত কৰা হয়।

(৪) মধ্যস্থ ন্যায়াধিকৰণৰ, ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিয়মিত কৰিবলৈ ক্ষমতা থাকিব।

(৫) মধ্যস্থ সম্পৰ্কত সম্প্ৰতি বলবৎ থকা কোনো বিধিৰ কোনো কথাই, এই ধাৰাৰ অধীনত মধ্যস্থলৈ প্ৰয়োগ নহ'ব।

## অধ্যায়-৩

## বিবিধ

*পদৰিক্তিৰ দ্বাৰা অধিনিয়ম আৰু কাৰ্য্যবাহী অবৈধ নহ'ব।*

৩৫। এই অধিনিয়ম বা পৰিনিয়মৰ অধীনত গঠন কৰা সংস্থা বা সাধাৰণ পৰিষদ বা বোৰ্ড বা চিনেট বা আন কোনো নিকায়ৰ কোনো কাৰ্য্য, কেৱল মাত্ৰ নিম্নলিখিত কাৰণৰ দ্বাৰা অবৈধ নহব-

(ক) তাত থকা কোনো পদৰিক্তিত বা ইয়াৰ গঠনত কোনো ত্ৰুটী ; বা

(খ) তাত এজন সদস্য ৰূপে কাৰ্য্য কৰা এজন ব্যক্তিৰ নিৰ্বাচন, মনোনয়ন বা নিযুক্তিত থকা কোনো ত্ৰুটী, বা

(গ) গোচৰৰ গুণাগুণক প্ৰভাবিত নকৰা ইয়াৰ প্ৰক্ৰিয়াত থকা কোনো অনিয়মিতা।

*সংস্থাৰ দ্বাৰা ডিগ্ৰী, ইত্যাদি প্ৰদান কৰা।*
১৯৫৬ ৰ ৩

৩৬। বিশ্ববিদ্যালয় অনুদান অয়োগ অধিনিয়ম, ১৯৫৬ত বা সম্প্ৰতি বলবৎ কোনো আন বিধিত কোনো কথা থকা সত্বেও, সংস্থাৰ এই অধিনিয়মৰ অধীনত ডিগ্ৰী, আৰু আন শৈক্ষিক উপাধি আৰু খিতাপ প্ৰদান কৰাৰ অধিকাৰ থকিব।

*পোষকতা কৰা আঁচনি।*

৩৭। এই অধিনিয়মত কোনো কথা থকা সত্বেও, যেতিয়া সংস্থাই, সংস্থাত নিস্পাদিত বা সম্বৃদ্ধি কৰিবলৈ এটা গৱেষণা আঁচনি পোষকতা কৰা উদ্যোগ, কোনো পৰামৰ্শকাৰীৰ নিয়োগ নিৰ্দ্ধাৰণ এটা শিক্ষণৰ কাৰ্য্যক্ৰম বা কোনো অধিষ্ঠিত অধ্যাপকবৰ্গ বা কোনো বৃত্তিক অন্তৰ্ভুক্ত কৰি কোনো চৰকাৰ, বিশ্ববিদ্যালয় অনুদান আয়োগ বা আন কোনো এজেঞ্চিৰ পৰা নিধি প্ৰাপ্ত কৰে,

(ক) প্ৰাপ্ত কৰা ধনৰাশি সংস্থাৰ নিধিৰ পৰা সংস্থাৰ দ্বাৰা পৃথকভাবে ৰখা হব আৰু কেৱল আঁচনিৰ প্ৰয়োজনাৰ্থে ব্যৱহৃত হব ; আৰু

(খ) সেইবোৰক নিস্পাদিত কৰিবলৈ অপেক্ষিত কৰা কৰ্মচাৰীক, পোষকতা কৰা সংগঠনৰ দ্বাৰা নিৰ্দিষ্ট কৰা নিবন্ধন আৰু চৰ্ত্তাৱলীৰ অনুসৰণত নিযুক্তি দিয়া হব ঃ

পৰন্তু খণ্ড (ক) ৰ অধীনত অব্যৱহৃত অৱশিষ্ট ধনৰাশি ধাৰা ২৫ ৰ অধীনত সৃষ্টি কৰা স্থায়ী নিধিলৈ অন্তৰিত কৰা হ'ব।

*জটিলতা দূৰীকৰণৰ ক্ষমতা।*

৩৮। (১) যদি এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাবী কৰোঁতে কোনো জটিলতাৰ উদ্ভৱ হয় কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসঙ্গত নোহোৱা এনে উপবন্ধাৱলী প্ৰণয়ন কৰিব পাৰে বা এনে নিৰ্দেশ দিব পাৰে যিদৰে জটিলতা দূৰীকৰণৰ বাবে আৱশ্যকীয় বা সমীচীন বুলি ইয়াৰ প্ৰতীত হয় ঃ

পৰন্তু এনে কোনো আদেশ নিয়ত দিনৰ পৰা দুবছৰৰ অৱসানৰ পিচত প্ৰণীত নহ'ব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ইয়াক প্ৰণীত কৰাৰ পিচত, যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব।

*অন্তৰ্বৰ্ত্তীকালীন উপবন্ধ*

৩৯। এই অধিনিয়মত কোনো কথা থকা সত্বেও,—–

(ক) এই অধিনিয়মৰ প্ৰাৰম্ভৰ তৎকালীন পূৰ্বে এনেদৰে কাৰ্য্য কৰা সমিতিৰ প্ৰশাসক বোৰ্ডে, এনেদৰে কাৰ্য্য কৰি থকিব যি পৰ্য্যন্ত এখন নতুন বোৰ্ড এই অধিনিয়মৰ অধীনত সংস্থাৰ বাবে গঠিত নহয় কিন্তু এই অধিনিয়মৰ অধীনত এটা নতুন বোৰ্ডৰ গঠনত এনে গঠনৰ পূৰ্বে পদ ধাৰণ কৰা বোৰ্ডৰ সদস্যসকলৰ পদ ধাৰণৰ অন্ত পৰিব ; আৰু

(খ) যি পৰ্য্যন্ত প্ৰথম পৰিনিয়ম আৰু অধ্যাদেশ এই অধিনিয়মৰ অধীনত প্ৰণীত নহয়, ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সমিতিৰ পৰিনিয়ম আৰু অধ্যাদেশ বা এই অধিনয়মৰ প্ৰাৰম্ভৰ তৎকালীন পূৰ্বে বলবৎ হোৱা অধিসুচনা, সংস্থালৈ প্ৰযোজ্য হৈ থকিব যিমানদূৰ সেইবোৰ এই অধিনিয়মৰ উপবন্ধৰ সৈতে অসঙ্গত নহয়।

*পৰিনিয়ম, অধ্যাদেশ আৰু অধিসূচনা।*

৪০। (১) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক পৰিনিয়ম আৰু অধ্যাদেশ বা জাৰী কৰা অধিসুচনা চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কৰা হ'ব।

(২) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক পৰিনিয়ম আৰু প্ৰত্যেক অধ্যাদেশ বা জাৰী কৰা অধিসূচনা ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত যেতিয়া ই অধিৱেশনত মুঠ ত্ৰিশদিন কালৰ বাবে যিটো এখন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনত ভুক্ত হব পাৰে, উত্থাপিত কৰা হ'ব আৰু যদি অধিৱেশনৰ অৱসানৰ পূৰ্বে ঠিক তাৰ পাচৰ অধিৱেশনত বা পূৰ্বোক্ত ক্ৰমাগত অধিৱেশনত উভয়সদন পৰিনিয়ম, অধ্যাদেশ বা অধিসূচনাৰ কোনো পৰিবৰ্তন কৰিবলৈ সন্মত হয় বা উভয় সদন সন্মত হয় যে পৰিনিয়ম, অধ্যাদেশ বা অধিসূচনা প্ৰণয়ন কৰা বা জাৰী কৰা অনুচিত, তেতিয়া পৰিনিয়ম, অধ্যাদেশ বা অধিসূচনা ইয়াৰ পিচত এনে পৰিবৰ্তিত ৰূপত কেৱল প্ৰভাবী হ'ব বা যথাস্থিতি প্ৰভাবহীন হ'ব, সেইবাবে যিয়ে হওঁক এনে কোনো সালসলনি বা

ৰদকৰণে সেই পৰিনিয়ম, অধ্যাদেশ বা অধিসূচনাৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাব নেপেলোৱাকৈ হব।

(৩) পৰিনিয়ম, অধ্যাদেশ বা অধিসূচনা প্ৰণীত কৰাৰ ক্ষমতাই পৰিনিয়ম, অধ্যাদেশ, অধিসূচনা বা সেইবোৰৰ কোনোটোলৈ অধিনিয়মৰ প্ৰাৰম্ভৰ তাৰিখৰ পূৰ্বে নোহোৱা এটা তাৰিখৰ পৰা ভূতলক্ষী ভাবে প্ৰভাৱী কৰাৰ ক্ষমতাক অন্তৰ্ভুক্ত কৰিব কিন্তু এনে পৰিনিয়ম, অধ্যাদেশ বা অধিসূচনা প্ৰযোজ্য হোৱা কোনো ব্যক্তিৰ স্বাৰ্থত প্ৰতিকূল ভাবে প্ৰভাবিত কৰাৰ বিষয়ে কোনো পৰিনিয়ম, অধ্যাদেশ বা অধিসূচনালৈ কোনো ভূতলক্ষী প্ৰভাৱ নপৰিব।

XXX

ৰাষ্ট্ৰপতিয়ে ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি বিজ্ঞান সংস্থা অধিনিয়ম, ২০০৭ (২০০৭ৰ অধিনিয়ম সংখ্যা ৫৪) ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

সচিব, ভাৰত চৰকাৰ

নতুন দিল্লী
তাৰিখ ঃ

The above translation in Assamese of The Rajiv Gandhi Institute of Petroleum Technology Act, 2007. (Act No. 54 of 2007) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

New Delhi
Date :

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ১৩-০৬-১৯*